প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## কোভিড-১৯ প্ৰতিৰোধী অভিযান

# দিছপুৰত এ এছ আৰ এল এমৰ অধীনত মাস্ক বিপণী মুকলি

**গুৱাহাটী ২৯ এপ্ৰিলঃ** "কৰ'না প্ৰতিৰোধী অভিযানত আমি সকলোৱে নিজৰ নিজৰ সামৰ্থ অনুযায়ী যদি অৰিহনা আগবঢ়াবলৈ আগবাঢ়ি আহো তেতিয়াহ'লে এই যুঁজখনত জিকিবলৈ সহজ হ'ব। এই যুঁজত সমূহীয়া প্ৰচেষ্টাৰে মিছন মোডত মাস্ক প্ৰস্তুত কৰি মানৱীয়তাৰ পৰিচয় দিয়া আত্মসহায়ক গোটৰ সমূহ সদস্যালৈ মই আন্তৰিক ধন্যবাদ জনাইছো আৰু এই বিপণী ব্যৱস্থাই জনসাধাৰণক সহজতে মাস্ক লাভ কৰাত সহায় কৰিব বুলি আশা কৰিছো।"—আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এ এছ আৰ এল এম)ৰ অধীনত অসম সচিবালয়ৰ সমুখত এখন মাস্ক বিপণী মুকলি কৰি এইদৰে কয়।

উল্লেখযোগ্য যে কোভিড-১৯ৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবৰ বাবে সকলো লোকে ঘৰৰ বাহিৰলৈ ওলালেই মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগে লগে মাস্কৰ চাহিদা বৃদ্ধি হৈছে। এই চাহিদা পূৰণ কৰাৰ অৰ্থে এ এছ আৰ এল এমৰ অধীনত থকা আত্মসহায়ক গোটৰ বৃহৎ কৰ্মশক্তিক নিষ্ঠা আৰু দায়বদ্ধতাৰে চৰকাৰী জোখ মতে মিছন মোডত মাস্ক প্ৰস্তুত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সহাৰি জনাই আত্মসহায়ক গোটসমূহে বৰ্তমানলৈ প্ৰায় ১০লাখ মাস্ক প্ৰস্তুত কৰি উলিয়াইছে আৰু এই কাৰ্য নিৰৱচ্ছিন্নভাৱে চলি আছে। এতিয়া এই মাস্কসমূহ সহজলভ্য কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে বিপণী খোলাৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেই বাবে আজি সচিবালয়ৰ সমুখত এখন বিপণী মুকলি কৰাৰ লগে লগে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখতো আন এখন বিপণী মুকলি কৰা হয়।

বিপণী মুকলি অনুষ্ঠানত এছ আৰ এল এমৰ মিছন সঞ্চালক উৎপলা শইকীয়া আৰু অতিৰিক্ত মিছন সঞ্চালক ক্ষিতিশ পেগুও উপস্থিত থাকে।

*এম আৰ ডি/২৯-০৪-২০২০*